Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

**NOTE**

(I) Please check that this question paper contains **11** printed pages.

(II) Please check that this question paper contains **17** questions.

(III) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.

(IV) **Please write down the serial number of the question in the answer-book before attempting it.**

(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* — *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* — *Maximum Marks : 80*

***General Instructions :***

*Question paper is divided into 4 sections.*

*It has total **17** questions.*

***Section A** : 1 Question no. 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 5 Questions no. 7 to 11*

***Section D** : 6 Questions no. 12 to 17*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

*সাধাৰণ নির্দেশনা :*

*প্রশ্নকাকতৰ প্রশ্নসমূহ চাৰিটা শাখাত বিভক্ত ।*

*সর্বমুঠ প্রশ্নৰ সংখ্যা : ১৭*

*শাখা 'ক' : প্রশ্নৰ সংখ্যা ১, প্রশ্ন নং ১ – ১*

*শাখা 'খ' : প্রশ্নৰ সংখ্যা ৫, প্রশ্ন নং ২ – ৬*

*শাখা 'গ' : প্রশ্নৰ সংখ্যা ৫, প্রশ্ন নং ৭ – ১১*

*শাখা 'ঘ' : প্রশ্নৰ সংখ্যা ৬, প্রশ্ন নং ১২ – ১৭*

*নির্দ্ধাৰিত নির্দ্দেশ অনুসৰি প্রশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্রশ্নসমূহৰ উত্তৰ কৰাৰ পূর্বে প্রশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

## (বোধ পৰীক্ষণ)

**1.** তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্রশ্নবোৰৰ উত্তৰ লিখাঁ –

উপৰুৱা দৃষ্টিৰে চালে পৃথিৱীত হিংসাৰেই আধিপত্য দেখা যায় । নিজৰ জীৱন বচাবলৈ যেনিবা প্রত্যেকেই হিংসাৰ আশ্রয় কৰিয়েই চলিছে । পোক-পৰুৱা আৰু ইতৰ জীৱ-জন্তুৱে দেখাদেখিকৈ ইটোৱে সিটোক খাই যেনিবা বর্তি আছে । ভেকুলীবিলাকে সৰু সৰু পোক পৰুৱা ধৰি খায়, সাপে আকৌ ভেকুলীকে খায়, সাপক ময়ূঁৰে খায় । উঁই পৰুৱাবিলাকক সৰু সৰু চৰায়ে ধৰি খায়, এই সৰু সৰু চৰাইবিলাকক আকৌ কিছুমান ডাঙৰ চিকাৰী চৰায়ে খায় । নৈ, বিল খালত ডাঙৰ মাছবিলাকে সৰু সৰু মাছ বিলাকক খায় । এইদৰে জীৱ জগতত ইটোৱে সিটোক হিংসা কৰা নিয়মটোৱে প্রধান্য লাভ কৰা দেখা খায় । কিন্তু মানুহৰ বেলিকা কথাটো সুকীয়া । মানুহ অকল জন্তুৱেই নহয়, সি বিচাৰ বুদ্ধিসম্পন্ন জন্তু । তাৰ বিবেক আছে অর্থাৎ ভাল বেয়া বিবেচনা কৰিবৰ শক্তি আছে । ইতৰ জীৱ-জন্তু বিলাকে হিংসা নীতিত চলিলেও সেইবিলাক জীৱ লয় পোৱা নাই । কিন্তু মানুহে হিংসা নীতিত চলিব নোৱাৰে । মানুহ সকলো জীৱ জন্তুৰ ভিতৰতেই শ্রেষ্ঠ জীৱ । সেইবাবে তাৰ দায়িত্বও সবাতোকৈ বেছি । মানুহে হিংসা নীতি অনুসৰণ কৰিলে

বিধাতাৰ সৃষ্টি ধ্বংসপ্ৰাপ্ত হ'ব । কিয়নো মানুহৰ হিংসাৰ শক্তি অসীম । দ্বিতীয়তে ইতৰ জীৱ-জন্তুৰ ক্ষেত্ৰত আত্মোৎকৰ্ষৰ কথা নাই । কিন্তু মানুহে ইতৰ জীৱজন্তুৰ নিচিনাকৈ চলিব নোৱাৰে; কিয়নো মানুহৰ আত্মোৎকৰ্ষ কৰিবলগীয়া আছে । মানুহৰ শাৰীৰিক সৌন্দৰ্য বা শক্তিয়েই আচল পৰিচয় নহয়, তাৰ মানসিক বিকাশ আৰু নিজকে তাৰ দেহৰ গৰাকী আত্মা বুলি অনুভৱ কৰাটোৱেই তাৰ শ্ৰেষ্ঠত্বৰ পৰিচয় । তাৰ আত্মোৎকৰ্ষ, তাৰ সাধনা বা একানপতীয়া চেষ্টাৰ যোগেদিহে হ'ব পাৰে আৰু এই সাধনাত সত্য আৰু অহিংসাই তাৰ প্ৰধান সম্বল । আচলতে অহিংসাৰ বাটেদি গ'লেহে আমি সত্যত উপনীত হ'ব পাৰোঁ । অহিংসানো বাৰু কি ? কোনো জীৱৰ প্ৰতি হিংসাৰ ভাব নথকা মনৰ অৱস্থাটোকেই অহিংসা বোলা হয় । কিন্তু অহিংসা শব্দৰ অৰ্থ কেৱল হিংসাৰ অভাৱ বুলি ভাবিলে ভুল কৰা হ'ব । অহিংসাৰ দুটা ফাল আছে । এফালে আছে কোনো জীৱৰ প্ৰতি হিংসাৰ অভাৱ অইনটো ফালে আছে সকলো জীৱৰ প্ৰতি প্ৰেম বা ভাল পোৱা । ঠিক যেনেকৈ ভাৰতীয় মুদ্ৰা এটাৰ এটা ফালত আছে অশোক চক্ৰ বা ধৰ্মচক্ৰ আঁকা আৰু আনটো ফালত থাকে মুদ্ৰাটোৰ মূল্য খোদিত কৰা । আচলতে অহিংসা কোনো নিষ্ক্ৰিয় কথা নহয় । ই এটা বিশেষভাৱে সক্ৰিয় শক্তি । জগতত হিংসাৰ শক্তি দেখি মানুহে ভয় খায়, কিন্তু প্ৰেমৰ শক্তিতকৈ ডাঙৰ শক্তি এই বিশ্বত নাই ।

অলপ দ'কৈ ভাবি চালেই আমি বুজি পাওঁ যে নিখিল বিশ্বৰ সকলো শক্তিৰেই গতি ঐক্য আৰু সংহতিৰ ফালে, সকলো ভাবৰেই লক্ষ্য মিলন আৰু প্ৰেমৰ ফালে । বাস্তৱিকতে এই বিশ্বখন প্ৰেমৰ শক্তিতেই চলি আছে । ইতৰ জীৱ-জন্তুবিলাকৰো নিজৰ জাতিৰ ভিতৰত এটা প্ৰেমৰ আকৰ্ষণ আছে আৰু সেই দেখিয়েই সিহঁতে সংঘবদ্ধ হৈ থাকিব পাৰে । সিহঁতৰো নিজৰ পোৱালিৰ প্ৰতি প্ৰেমৰ টান আছে আৰু সেইবাবে জীৱ-জন্তুৰ সোঁত পৃথিৱীত চলি আছে ।

ব্যক্তিগতভাৱে অহিংসাৰ পথেদি জীৱন অতিবাহিত কৰাৰ উদাহৰণ মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰা দেখা যায় । জীৱন যাপনৰ এই শুদ্ধ পথটো — দিব্যদৃষ্টিসম্পন্ন, জ্ঞানীসকলৰ দৃষ্টিত কাহানিবাই ধৰা পৰিছিল । তথাপি অহিংসা সম্বন্ধে সাধাৰণ মানুহৰ মনত নানা প্ৰকাৰৰ ভুল ধাৰণা আছে । বহুতে ভাবে যে অহিংসা দুৰ্বলতাৰ লক্ষণ আৰু ই আচলতে হিংসা বা অনিষ্ট কৰিব পৰা ক্ষমতা

থকাৰ পিছতো যিজন হিংসা বা অনিষ্ট কৰাৰ পৰা বিৰত থাকে, তেওঁহে অহিংসাত বিশ্বাস কৰে । কিন্তু আত্মজ্ঞানত বলী মানুহেহে অহিংসা আচৰণ কৰিব পাৰে । প্ৰকৃততে অহিংসাৰ আদৰ্শ মানি চলাজনে এই কথা জানে যে জগতৰ সকলো মানুহেই তেওঁৰ আপোন, মাথোন অজ্ঞানতা বা মনৰ দুৰ্বলতাৰ কাৰণেহে মানুহে আনক হিংসা কৰে । অহিংসাবাদী সকলে কয় যে স্বধৰ্ম ৰক্ষাৰ বাবেও আনক হিংসা কৰিব নাপায় অৰ্থাৎ আনক শাৰীৰিক বা মানসিক কষ্ট দিয়াটো অনুচিত ।

মুঠৰ ওপৰত অহিংসা ভাবটো সাত্ত্বিক বুদ্ধিৰ মানুহৰ কাৰণে । যেতিয়াই মানুহৰ মনত কি ভাল, কি বেয়া, কি ন্যায়, কি অন্যায় এনে বুদ্ধিৰ উদয় হ'ব আৰু সমদৰ্শী হ'ব তেতিয়া বুদ্ধি সাত্ত্বিক বা সত্ত্ব গুণ প্ৰধান হৈছে বুলি জানিব লাগিব । এনে বুদ্ধিৰ মানুহেই অহিংসাৰ অভ্যাস কৰিবলৈ সমৰ্থ হয় । গতিকে যিহতে আমাৰ বুদ্ধি সাত্ত্বিক হয় তাৰে চেষ্টা আমি কৰা উচিত । আমাৰ খোৱাবস্তুৰ গুণাগুণৰ ওপৰতো আমাৰ মনৰ প্ৰকৃতি বহু পৰিমাণে নিৰ্ভৰ কৰে । বিশুদ্ধ আহাৰ কৰিলেহে আমাৰ চিত্ত শুদ্ধ হ'ব পাৰে । যি আহাৰ খালে আমাৰ আয়ু, উৎসাহ, বল, আৰোগ্য আৰু চিত্তৰ প্ৰসন্নতা বাঢ়ে তেনে আহাৰহে খাব লাগে ।

অহিংসা বিষয়ত গান্ধীজীক সবাতোকৈ ডাঙৰ বিশেষজ্ঞ বুলিব পাৰি । তেখেতে কৈছিল, 'অহিংসা অতুলনীয় শক্তিৰে এপাট অস্ত্ৰ । ই মানৱ জীৱনৰ চৰম কল্যাণৰ বস্তু । ই সাহসীৰ গুণ, দৰাচলতে যথাসৰ্বস্ব । ই শুকান বা প্ৰাণহীন নীতি নহয়, জীৱন্ত আৰু প্ৰাণ সঞ্চাৰকাৰী শক্তি । ই আমাৰ এটা বিশেষ গুণ । সেয়ে ইয়াক সৰ্বশ্ৰেষ্ঠ ধৰ্ম বোলা হৈছে । শিক্ষাবিদৰ হাতত ই পৱিত্ৰতম প্ৰেমৰ ৰূপ লয় । সেই প্ৰেম চিৰ সজীৱ আৰু সদায় চিৰ নিৰ্ঝৰিত নিজৰাৰ দৰে বৰ্তমান ।

পৃথিৱীৰ সৰহভাগ মানুহে আজিও অহিংসাৰ পথত জীৱন যাপন কৰিবলৈ শিকা নাই, আজিও অধিকাংশ মানুহে অহিংসাক জীৱন যাপনৰ প্ৰণালীৰূপে লোৱাটো আৱশ্যক বা সম্ভৱ বুলিও নাভাবে । তথাপি এই কথাও সঁচা যে পৃথিৱীৰ জ্ঞানীসকলৰ অধিকাংশই অহিংসাৰ পথতেই মানৱ জাতিৰ কল্যাণ আছে বুলি আৰু এই পথেদিয়েই মনুষ্যত্বৰ বিকাশ হ'ব পাৰে বুলি বিশ্বাস কৰে । ব্যক্তিগত ভাৱে অহিংসাৰ পথ লোৱাটো সম্ভৱ বুলি ভাবিলেও সিদিনালৈকে মানুহে সমূহীয়া ভাৱে এই পথেদি আগবঢ়াৰ কথা ভাবি চোৱা নাছিল । ভাৰতত মহাত্মা গান্ধীয়ে

পোন প্ৰথমে দেখুৱালে যে অহিংসাৰ প্ৰয়োগ সামূহিক ৰূপতো হ'ব পাৰে আৰু ভাৰতৰ স্বাধীনতা আন্দোলনত অহিংসাৰ প্ৰয়োগ কৰি বাস্তৱিকতে ভাৰতৰ স্বাধীনতা উদ্ধাৰ কৰিলে । আমি দ'কৈ ভাবি চালে বুজিব পাৰোঁ যে অহিংসাৰ পথ মানুহৰ আচল মুক্তিৰ পথ, এয়ে মানৱ ধৰ্মৰ পথ । ভাবি চালে অহিংসাৰ ভিতৰত মানৱতাৰ প্ৰায়খিনি গুণেই আছে । ইয়াৰ ভিতৰত আছে ক্ষমা, সহিষ্ণুতা, আত্মজ্ঞান আৰু সবাৰো ওপৰত আছে মানৱপ্ৰেম । যিহেতুকে চিত্ত শুদ্ধি নহলে অহিংসা থাকিব নোৱাৰে, সেইদেখি ইয়াৰ ভিতৰত আছে মন আৰু শৰীৰৰ সংযম আৰু আছে ব্ৰহ্মচৰ্য ।

আমি অহিংসাৰ যোগেদিয়ে সত্যৰ ওচৰ চাপিব পাৰোঁ । সত্যৰ স্বৰূপ আমি হিংসাৰ মাজেদি দেখিবলৈ নাপাওঁ । হিংসাই মানুহৰ বিচাৰ বুদ্ধিক স্বাভাৱিক অৱস্থাত থাকিবলৈ নিদিয়ে আৰু সেইদেখি মনত হিংসা থাকিলে আমি সত্য বা ঈশ্বৰৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰোঁ । হিংসাই আমাৰ বিচাৰ বুদ্ধিক বিকৃত কৰি পেলায় আৰু আমাৰ বিকৃত বিচাৰ বুদ্ধিৰে আমি জগত বা ঈশ্বৰৰ স্বৰূপ বুজিব নোৱাৰোঁ অৰ্থাৎ আমি সত্যক উপলব্ধি কৰিব নোৱাৰোঁ । গতিকে অহিংসাৰ সহায়তহে আমি সত্যক উপলব্ধি কৰিব পাৰোঁ । এইদেখি মানৱজীৱন সাৰ্থক কৰিবলৈ অহিংসাই উৎকৃষ্ট পন্থা ।

**প্ৰশ্ন :**

(i) মানুহে কিয় হিংসা নীতিত চলিব নোৱাৰে ? *2*

(ii) অহিংসা বুলিলে কি বুজা ? *2*

(iii) সাত্ত্বিক বুদ্ধি বুলিলে কি বুজা ? *2*

(iv) ''অহিংসা'' সম্পৰ্কে গান্ধীজীয়ে কি মতামত দাঙি ধৰিছিল ? *2*

(v) মানৱ ধৰ্মৰ পথক কিয় মুক্তিৰ পথ বুলি কোৱা হৈছে ? *2*

(vi) হিংসাই কেনেদৰে অনিষ্ট সাধন কৰে ? *2*

(vii) ''পৃথিৱী'' শব্দৰ সমাৰ্থক শব্দ হ'ল – *1*

(A) স্বৰ্গ (B) নৰক

(C) পাতাল (D) ধৰা

(viii) ''অভাৱ'' শব্দৰ বিপৰীত শব্দ হ'ল – *1*

(A) উভৈনদী (B) অনাটন

(C) মন্থৰ (D) সুস্থিৰ

(ix) সন্ধি ভাঙা – ''উদ্ধাৰ'' *1*

(A) উত+ধাৰ (B) উৎ+ধাৰ

(C) উৎ+হাৰ (D) উদ+ধাৰ

## SECTION B

## (লিখন কলা)

**2.** (i) তলত দিয়া সংকেত বাক্যকেইটাৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখাঁ । (গল্পটোৰ এটা শিৰোনাম আৰু নীতি শিক্ষা লিখিব লাগিব ।) *5*

পৃথিৱী ভ্ৰমণ কৰি থকা এখন জাহাজ _________ যাত্ৰাকালত এটা বান্দৰ আহি জাহাজত উঠিল _________ বান্দৰটোৰ কাণ্ড কাৰখানা দেখি যাত্ৰীসকলে আমোদ পাইছিল _________ কিন্তু এদিন ল'ৰা এজনৰ টুপিটো লৈ গৈ বান্দৰটোৱে জপিয়াবলৈ ধৰিলে _________ টুপিটো পাবলৈ ল'ৰাজনেও বান্দৰক অনুসৰণ কৰিলে _________ আগ-পাছ চিন্তা নকৰা বাবে ল'ৰা জন পানীত পৰিল _________ ।

**নাইবা (OR)**

(ii) যিকোনো ***এখন*** ৰচনা লিখাঁ –

(a) নিবনুৱা সমস্যা

(b) দেশভ্ৰমণ

**3.** ''ব'' বিদ্যালয়ত অনুষ্ঠিত ''ৰাভা দিৱস'' ৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰাঁ । *5*

4. তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনা বুজাই লিখাঁ – 5

(i) শাকত নেখাই লোণ, পিটিকাত যায় তিনিগুণ ।

(ii) লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি ।

5. ভাব সম্প্ৰসাৰন কৰাঁ : (যিকোনো ***এটা***) 5

(i) কু-চৰিত্ৰই মানুহক পশুত্বলৈ নমায়, কিন্তু সু-চৰিত্ৰই দেৱত্বলৈ তোলে ।

(ii) যিবোৰ ৰীতি-নীতি নৰৰ গঠিত
সকলোতে ভাবি চোৱা স্বাৰ্থ বিৰাজিত ।

6. তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰাঁ – (যিকোনো ***পাঁচটা***) *5×1=5*

হাড়ক মাটি কৰ, ভাত ঘৰ, বাট মৰ, মাটি খা, হাড়লৈকে চিনা, মাত মাত

## SECTION C

## (ব্যাকৰণ)

7. তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ অৰ্থ বাছি উলিয়াই লিখাঁ – *4×1=4*

(i) হাৰ =

(A) সাহ (B) অস্থি

(C) ভয় (D) এবিধ অলংকাৰ

(ii) হাড় =

(A) কথা (B) অস্থি

(C) হাত (D) এবিধ অলংকাৰ

(iii) শাপ =

(A) শাও (B) পথ

(C) সত্ৰ (D) বিষাক্ত সৰীসৃপ

(iv) সাপ =

(A) ভস্ম (B) শাও

(C) জল (D) বিষাক্ত সৰীসৃপ

**8.** তলত দিয়া শব্দকেইটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখাঁ – *4×1=4*

(i) তেল –

(A) পেল (B) ৰেল

(C) কুৰ (D) মেল

(ii) জা –

(A) জগত (B) জাতি

(C) জলপান (D) জোঁৱাই

(iii) জীৱ-জন্তুৰ মাত অনুকৰণ কৰি যি শব্দ উৎপত্তি কৰা হয় তাক কি বোলে ?

(A) দ্বিৰুক্ত অনুৰূপ শব্দ (B) অনুকাৰ শব্দ

(C) যুৰীয়া অনুৰূপ (D) অনুৰূপ শব্দ

(iv) কেতিয়াবা বেলেগ উচ্চাৰণযুক্ত যুৰীয়া শব্দ ব্যৱহাৰ কৰি কি শব্দ গঠন কৰা হয় ?

(A) ধ্বন্যাত্মক শব্দ (B) অনিয়মিত অনুৰূপ

(C) দ্বিৰুক্ত অনুৰূপ শব্দ (D) অনুকাৰ শব্দ

**9.** তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখাঁ – *4×1=4*

(i) একেটা পদতে থকা ঋ, ৰ আৰু ষ ৰ পিছত থকা দন্ত্য ‘ন’ মূৰ্দ্ধন্য ‘ণ’ হয় ।

(A) নিপুণ (B) ঋণ

(C) ৰামায়ণ (D) পুণ্য

(ii) কিছুমান শব্দ স্বাভাৱিকতে মূৰ্দ্ধন্য ‘ণ’ হয় ।

(A) ৰামায়ণ (B) কৃষ্ণ

(C) ঘণ্টা (D) বীণা

(iii) অ, আ ভিন্ন অন্য স্বৰবৰ্ণ বা ক বা ৰ- ৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য ‘স’ মূৰ্দ্ধন্য ‘ষ’ হয়

(A) ৰোষ (B) শ্ৰীচৰণেষু

(C) মিষ্ট (D) সুষম

(iv) ট বৰ্গৰ বৰ্ণৰ লগত যুক্ত দন্ত্য ‘স’ মূৰ্দ্ধন্য ‘ষ’ হয়

(A) অংগুষ্ঠ (B) প্ৰতিষ্ঠা

(C) মিষ্ট (D) অনুষ্ঠান

**10.** তলৰ শব্দকেইটাত যোগ হোৱা প্ৰত্যয়কেইটা বাছি উলিয়াই লিখাঁ – *4×1=4*

(i) মগনীয়া =

(A) নীয়া (B) অনীয়া

(C) ঈয়া (D) আ

(ii) মজলীয়া =

(A) অলীয়া (B) ঈয়া

(C) আ (D) লীয়া

(iii) সাৰুৱা =

(A) ৰুৱা (B) আ

(C) উৱা (D) ৱা

(iv) মথাউৰি =

(A) আউৰি (B) উৰি

(C) অৰি (D) ৰি

**11.** নিৰ্দেশ অনুসৰি তলৰ বাক্যবোৰৰ উক্তি পৰিবৰ্তন কৰাঁ – *4×1=4*

(i) মই ক'লো, "তেঁও কালি ইয়ালৈ আহিছে।" (পৰোক্ষ উক্তিলৈ)

(ii) শিক্ষকে কৈছিল, "সি এটা ভাল ল'ৰা।" (পৰোক্ষ উক্তিলৈ)

(iii) নীতাই কৈছিল যে তাই ফুৰিবলৈ যাব । (প্ৰত্যক্ষ উক্তিলৈ)

(iv) মই ক'লো যে তেঁও আগদিনা তাৰপৰা গৈছে । (প্ৰত্যক্ষ উক্তিলৈ)

## SECTION D

## (গদ্য ভাগ)

**12.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখাঁ – *4*

(i) গুৰুৱে শিক্ষাৰ্থীক অধ্যয়ন সমাপ্ত হোৱাৰ পিছত কি কি উপদেশ দিছিল ?

(ii) লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত বুজাই লিখাঁ ।

(iii) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া ?

**13.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখাঁ – *2*

(i) 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষটিত 'মাতৃ' শব্দৰে কি বুজাইছে ? কিমান বছৰৰ মূৰত লেখকৰ 'মাতৃমুখ' দৰ্শন হৈছিল ?

(ii) প্ৰকৃত ত্যাগ মানে কি ?

(iii) 'আনন্দৰামৰ নিজ দেশৰ প্ৰতি ভক্তিও কম নাছিল' — বুজাই লিখা ।

**14.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ – *4×1=4*

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম লিখা ।

(ii) 'মোক মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটো ক'ৰপৰা সংগ্ৰহ কৰা হৈছে ?

(iii) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থ ল'ৰাকালতে কন্ঠস্থ কৰিব পাৰিছিল ?

(iv) কৰ্ম কৰা কৌশলক ভগৱদ্‌গীতাত কি যোগ বুলি কয় ?

## (পদ্য ভাগ)

**15.** যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখাঁ – *4*

(i) উভতি নহাৰ কবিতাটিৰ মূলভাৱ লিখাঁ ।

(ii) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ –

মোৰ পুত্ৰ বুলি যশোদা গোৱালী
বুকে বান্ধি কোলে লৈলা ।
বয়ন চুম্বন করি ঘনে ঘনে
আনন্দে মগন ভৈলা ।।

(iii) কবিয়ে কেনেকুৱা জনতন্ত্ৰ কামনা কৰিছে কবিতাটোৰ আধাৰত বিশ্লেষণ কৰাঁ ।

**16.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখাঁ – *2*

(i) শ্ৰী শ্ৰী মাধৱ দেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি ?

(ii) কবিৰ মতে পৃথিৱীলৈ 'নতুন মানুহ' আহিলে কি পৰিৱৰ্তন হ'ব ?

(iii) 'হে মোৰ আলোক-পূজাৰী প্ৰাণ' — কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা ।

**17.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ – *4×1=4*

(i) জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীলৈ গৈ কিহৰ প্ৰশিক্ষণ লৈছিল ?

(ii) 'উভতি নহাৰ কবিতা' পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(iii) 'উঠ ৰে উঠ বাপু গোপাল হে' বৰগীতটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(iv) 'ৰামধেনু যুগ'ৰ এগৰাকী কবিৰ নাম লিখা ।